*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৫ সংখ্যা, ২৬ চ'ত , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 15 * Date Of Publication - 10 April 2022 Rs.5.00/-*

## পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ মটৰ পৰিবহণ সন্থাৰ ৭০ শতাংশ বাছভাৰা বৃদ্ধিৰ প্ৰস্তাৱক নাকচ



ৰঙিলী বাৰ্ত্তাসেৱা- ৭০ শতাংশ বাছভাৰা বৃদ্ধিৰ বাবে সদৌ অসম মটৰ পৰিবহণ সন্থাই পৰিবহণ আয়ুক্তক প্ৰদান কৰা পত্ৰৰ পাছতেই প্ৰতিক্ৰিয়া সৃষ্টি হোৱাই নহয়, খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সময়তে বাছভাৰা বৃদ্ধিৰ প্ৰস্তাৱে সাধাৰণ ৰাইজক যে চৰম জুৰুলা কৰিব, সেয়া নিশ্চিত হৈ পৰিছে। অৱশ্যে পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মটৰ পৰিবহণ সন্থাৰ এই প্ৰস্তাৱক নাকচ কৰে । জিলা পৰিবহণ বিষয়াসকলৰ সৈতে অনুষ্ঠিত এখন সভাত অংশগ্ৰহণৰ পাছতেই মন্ত্ৰী পাটোৱাৰীৰ মন্তব্য- এইটো উচিত সময় নহয় বাছৰ ভাৰা বৃদ্ধি কৰাৰ। তেওঁলোকৰ প্ৰস্তাৱ কেতিয়াও মানি লোৱা নহ'ব। যদি ক'ৰবাত কোনোৱে ভাৰা বেছিকৈ লয়, পৰিবহণ বিভাগক অভিযোগ দিলেই বাতিল কৰা হ'ব বাহনৰ অনুজ্ঞা-পত্ৰ। এক এপ্ৰিলৰ পৰা টোলগেটৰ টেক্স ১৫ শতাংশ বৃদ্ধিৰ লগতে থাৰ্ড পাৰ্টীৰ প্ৰিমিয়াম বৃদ্ধি, টায়াৰ-বেটাৰী, স্পেয়াৰ পাৰ্টছৰ দাম বৃদ্ধিৰ বাবে বাছৰ মালিকসকলে ভাৰা বৃদ্ধিৰ সূত্ৰ দাঙি ধৰিছে পৰিবহণ বিভাগৰ ওচৰত। এনে প্ৰস্তাৱক লৈ সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত মন্ত্ৰী পাটোৱাৰীৰ মন্তব্য- মই পূৰ্বেও কৈছোঁ, এতিয়াও ক'ম, ভাৰা কোনো কাৰণতে বৃদ্ধি কৰা নহয়। মটৰ পৰিবহণ সন্থাই এক অদ্ভুত সূত্ৰ দাঙি ধৰিছে। ৭০ শতাংশ ভাৰা বৃদ্ধি অবাস্তৱ। পাটোৱাৰীয়ে লগতে কয় যে ইন্ধনৰ মূল্যবৃদ্ধিৰ অজুহাতত বাছভাৰা বৃদ্ধিৰ প্ৰস্তাৱ দিছে যদিও কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল-ডিজেলৰ দাম হ্ৰাস কৰাৰ বাবে চিন্তা-চৰ্চা কৰি আছে।

## ২০২১-২২ বিত্তীয় বৰ্ষত ২৭.০৭লাখ কোটি টকা কৰ সংগ্ৰহ




ৰঙিলী বাৰ্ত্তাসেৱা- বিত্তীয় বৰ্ষ ২০২১-২২ত অভিলেখ সংখ্যক ২৭.০৭ লাখ কোটি টকা কৰ সংগ্ৰহ হৈছে। ৰাজহ সচিব তৰুণ বাজাজে বিত্তীয় বৰ্ষটোত অভিলেখ সংখ্যক ৰাজহ কৰ সংগ্ৰহ হোৱা বুলি প্ৰকাশ কৰিছে। সচিবগৰাকীয়ে এই কথাও প্ৰকা০শ কৰিছে যে দুই দশকৰ ভিতৰত কৰ আৰু জি ডি পিৰ অনুপাত উচ্চতম হৈছে। দুই দশকৰ উচ্চতম কৰ-জি ডি পিৰ অনুপাত হৈছে ১১.৭ শতাংশ। সচিবগৰাকীয়ে প্ৰকাশ কৰা মতে, কৰফাঁকিৰ বিৰুদ্ধে লোৱা পদক্ষেপৰ বাবে দেশৰ অৰ্থনীতি উজ্জীবিত হোৱাটো কৰ সংগ্ৰহত প্ৰতিফলিত হৈছে। বিত্তীয় বৰ্ষটোত প্ৰত্যক্ষ কৰ সংগ্ৰহ অভিলেখসংখ্যক ৪৯শতাংশ বৃদ্ধিৰে ১৪.১০ লাখ কোটি সংগ্ৰহ হোৱাৰ বিপৰীতে পৰোক্ষ কৰ ২০ শতাংশ বৃদ্ধিৰে সংগ্ৰহ হৈছে ১২.৯০ লাখ কোটি টকা। ১৯৯৯ৰ পাছত কৰ আৰু জি ডি পিৰ অনুপাত ১১.৭ শতাংশলৈ বৃদ্ধি হৈছে। বিগত বিত্তীয় বৰ্ষ ২০২০-২১ত এই অনুপাত আছিল ১০.৩ শতাংশ।২০২১ এপ্ৰিলৰ পৰা ২০২২ মাৰ্চলৈকে মুঠ কৰ সংগ্ৰহ ২৭.০৭ লাখ কোটি টকা।

## ইংৰাজীৰ বিকল্প হিচাপে হিন্দী গ্ৰহণ কৰা উচিতঃ অমিত শ্বাহ



ৰঙিলী বাৰ্ত্তাসেৱা- ইংৰাজীৰ বিকল্প হিচাপে হিন্দী গ্ৰহণ কৰাৰ প্ৰাসংগিকতাক প্ৰাধান্য দি উত্তৰ পূৰ্বাঞ্চলৰ ৮ ৰাজ্যত দশম শ্ৰেণীলৈকে হিন্দী বাধ্যতামূলক কৰা হ'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিবৃতিত এই কথা ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সিদ্ধান্তৰ প্ৰসংগৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যত দশম শ্ৰেণীলৈকে হিন্দী বাধ্যতামূলক কৰাৰ লগতে হিন্দী পৰীক্ষাৰ প্ৰতি অধিক মনোযোগ দিয়া হ'ব বুলি মন্ত্ৰালয়ৰ বিবৃতিত প্ৰকাশ কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ-পূৰ্বাঞ্চলৰ ৮ ৰাজ্যত ২২ হাজাৰ হিন্দী শিক্ষক নিযুক্তি দিয়া বুলি উল্লেখ কৰি কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ ৯ জনজাতীয় সম্প্ৰদায়ে তেওঁলোকৰ উপ-ভাষাক দেৱনাগৰী লিপিলৈ ৰূপান্তৰিত কৰিছে। নতুন দিল্লীত ৩৭ সংখ্যক পাৰ্লিয়ামেণ্টৰী অফিচিয়েল লেংগুৱেজ কমিটীৰ বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে কয় যে চৰকাৰী ভাষাক দেশৰ ঐক্যৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে গ্ৰহণ কৰাৰ সময় আহি পৰিছে। স্থানীয় ভাষাক নহয়, হিন্দীক ইংৰাজীৰ বিকল্প হিচাপে গ্ৰহণ কৰা উচিত। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে হিন্দীক ভাৰতৰ ভাষা বুলি আখ্যা দি বিভিন্ন ৰাজ্যৰ পৰা অহা লোকসকলে

*( দুই পৃষ্ঠাত চাওক)*

## ভাৰতত নতুনকৈ ১,১৫০জনলোক কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তসেৱা- ভাৰতত যোৱা ২৪ ঘণ্টাত ১,১৫০জনলোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে। আৰু যোৱা ২৪ঘণ্টাত ৮৩ জনলোকৰ নতুনকৈ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫, ২১, ৬৫৬ জনলৈ বৃদ্ধি হয়। আনহাতে দেশত ১১, ৩৬৫টা সক্ৰিয় ঘটনা আছে।

# শ্ৰমিক নেতা মুনিন্দ্ৰ শইকীয়া এনএফআইআৰৰ যুটীয়া সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত

ৰঙিলী বাৰ্ত্তাসেৱা- সৰ্বভাৰতীয় ৰে'লৱে ট্ৰেড ইউনিয়নৰ অন্যতম সৰ্ববৃহৎ সংগঠন 'নেশ্যনেল ফেডাৰেচন অৱ ইণ্ডিয়ান ৰে'লৱেমেনছ' চমুকৈ এনএফআইআৰৰ পাঞ্জাৱৰ অমৃতসৰ চহৰত সদ্যসমাপ্ত কাৰ্যকৰী সভাত সংগঠনটোৰ গুৰুত্বপূৰ্ণ যুটীয়া সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছে উত্তৰ পূব সীমান্ত ৰে'লৱেৰ সৰ্ববৃহৎ ট্ৰেড ইউনিয়ন 'এনএফৰে'লৱে এম্প'লয়িজ ইউনিয়নৰ সাধাৰণ সম্পাদক তথা জনপ্ৰিয় শ্ৰমিক নেতা মুনীন্দ্ৰ শইকীয়া। আনহাতে কালি নিশা নতুন দিল্লীৰ পৰা ৰে'লযোগে গুৱাহাটী ৰে'ল ষ্টেচনত উপস্থিত হোৱাৰ পাছত এনএফআইআৰৰ নৱনিৰ্বাচিত যুটীয়া সাধাৰণ সম্পাদক মুনীন্দ্ৰ শইকীয়াক এম্প'লয়িজ ইউনিয়নৰ গুৱাহাটী শাখাৰ শাখা সম্পাদক অৰূপ কলিতাৰ নেতৃত্বত ইউনিয়নৰ কেবা শতাধিক কৰ্মীয়ে



গামোচা, ফুলৰ থোপা, জাপিৰে বিপুল আদৰণি জনায়। তাৰ পাছত কৰ্মীসকলে মুনীন্দ্ৰ শইকীয়া জিন্দাবাদ, এনএফআইআৰ জিন্দাবাদ, এনএফৰে'লৱে এম্প'লয়িজ জিন্দাবাদ ধ্বনিৰে আকাশ বতাহ মুখৰিত কৰি ইউনিয়নৰ গুৱাহাটী শাখা কাৰ্যালয়লৈ এক বিশাল শোভাযাত্ৰাৰে তেওঁক আদৰি লৈ যোৱা হয়। কাৰ্যালয় চৌহদত শাখা সভাপতি গুণেন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাষণ প্ৰসংগত মুনীন্দ্ৰ শইকীয়াই তেওঁ সৰ্বভাৰতীয় ৰে'লৱে ট্ৰেড ইউনিয়নৰ গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱাৰ ক্ষেত্ৰত ইউনিয়নৰ সমূহ কৰ্মী-কৰ্মকৰ্তাৰ লগতে উত্তৰ পূব সীমান্ত ৰে'লৱেৰো শ্ৰমিক-কৰ্মচাৰী সকলৰ অৱদান আছে বুলি ব্যক্ত কৰে। সভাত ইউনিয়নৰ প্ৰচাৰ গোটৰ অধ্যক্ষ আৰু গুৱাহাটী শাখাৰ পৰ্যবেক্ষক নয়ন কুমাৰ বৰ্মন, ইউনিয়নৰ গুৱাহাটী শাখাৰ মহিলা গোটৰ সম্পাদিকা নমিতা দাস, যুৱ গোটৰ সম্পাদক দিব্যজ্যোতি হাজৰিকাকে ধৰি কেইবাজনেও চমু ভাষণ দিয়ে।

# আম আদমী পাৰ্টিয়ে গুৱাহাটী পৌৰ নিগম দখল কৰিলে দূৰ কৰিব খোৱা পানীৰ সমস্যা

ৰঙিলী বাৰ্ত্তাসেৱা- এটুপি খাৱো পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে মহানগৰবাসী। চৰকাৰী তথ্য মতে, গুৱাহাটীত প্ৰতিদিনে পানীৰ প্ৰয়োজন প্ৰায় ২২৯ মিলিয়ন লিটাৰ। ইয়াৰ বিপৰীতে মহানগৰখনত চৰকাৰীভাৱে পানী যাগোন ধৰা হয় মাত্ৰ ৭৫.৫ মিলিয়ন লিটাৰ। এই পানী যাগোন প্ৰয়োজনতকৈ ৭০ শতাংশ কম।- এই মন্তব্য আম আদমী পাৰ্টী, অসমৰ। উক্ত দলটোৱে গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদ মেলত ৰাজ্যিক কাৰ্যালয় সম্পাদক ৰুদ্ৰাংকুৰ হাজৰিকাই কয়- ২০০৯ চনৰ পৰাই মহানগৰখনত চাৰিটা বৃহৎ পানী যাগোন প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছিল যদিও যাৰো ১৩ বছৰে বিজেপি আৰু কংগ্ৰেছৰ দৰে বিয়াগামে দলৰ চৰকাৰেও এই প্ৰকল্পকেইটাৰ কাম সম্পূৰ্ণ কৰিব নাৱোৰিলে। ব্যাপক অনীতি-ভ্ৰষ্টাচাৰৰ লগতে জনতাক সেৱা কৰাৰ মানসিকতা নথকাৰ বাবেই দল দুটাৰ চৰকাৰসমূহে ইমান দিনে ৰাইজক জীয়াতু ভাগোই আহিছে। এই প্ৰকল্পসমূহ ৰূপায়ণৰ সময়ত ৰাজনৈতিক নেতা একাংশই ইমানেই দুৰ্নীতি কৰিছিল যে পৰৱৰ্তী সময়ত এই প্ৰকল্পসমূহ ৰূপায়ন কৰা ঠিকাদাৰ প্ৰতিষ্ঠানসমূহে কাম অসমাপ্ত কৰি ৰাজ্যখনৰ পৰা পলায়ন কৰিবলৈ বাধ্য হৈছিল। সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত তদানীন্তন গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই ঘোষণা কৰিছিল যে ২০২২ চনৰ জুন মাহত সম্পূৰ্ণ হ'ব গুৱাহাটীৰ পানী যাগোনৰ কাম। বৰ্তমানৰ গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোকে সিংঘালে কিছুদিন পূৰ্বে প্ৰকাশ কৰিছে যে গুৱাহাটী মহানগৰবাসীৰ বাসিন্দাই এই গুৰুতৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু আঢ়ৈ বছৰৰো অধিক কাল অপেক্ষা কৰিব লাগিব। গুৱাহাটী পৌৰ নিগমৰ তিনিটা পানী যাগোন আঁচনি কাৰ্যক্ষম হৈ আছে। পানবজাৰ, কামাখ্যা আৰু সাতপুখুৰী। পৌৰ নিগমৰ উপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু গুৱাহাটী মেট্ৰপলিটান ড্ৰিংকিং ৱাটাৰ এণ্ড ছুৱেৰেজ ব'ৰ্ডেও মহানগৰবাসীক খাৱো পানীৰ যাগোন ধৰে। গুৱাহাটী পৌৰ নিগমৰ যি তিনিটা পানী যাগোন আঁচনি আছে, সেই আটাইকেইটাৰ আয়ুস ৩০ বছৰৰ আগতেই উকলি গৈছে। পানবজাৰ, কামাখ্যা আৰু সাতপুখুৰীৰ আঁচনিকেইটাৰ মুঠ পানী যাগোন ক্ষমতা ৭৪ মিলিয়ন লিটাৰ আছিল যদিও এই কেইটাই দিনে ৪৪.৫ নিযুত লিটাৰ পানীহে যাগোন ধৰিব পাৰে। গুৱাহাটীত খোৱা পানীৰ সমস্যা দূৰ কৰিবৰ বাবে ২০০৯ চনতে চাৰিটা বৃহৎ পানী যাগোন আঁচনি স্থাপনৰ ব্যৱস্থা কৰা হৈছিল। সেই কেইটা হ'ল- দক্ষিণ পশ্চিম গুৱাহাটী পানী যাগোন প্ৰকল্প (জৱাহৰলাল নেহৰু নেচনেল আৰ্বান ৰিনিৱেল মিছনৰ পুঁজি), দক্ষিণ মধ্য গুৱাহাটী পানী যাগোন প্ৰকল্প (জাপান ইণ্টাৰনেচনেল ক'পাৰেচন এজেঞ্চি, জিকাৰ পুঁজি), উত্তৰ গুৱাহাটী পানী যাগোন প্ৰকল্প (জিকাৰ পুঁজি), আৰু দক্ষিণ পূব গুৱাহাটী পানী যাগোন প্ৰকল্প (এছিয়ান ডেভেলপমেন্ট বেংকৰ পুঁজি)। কিন্তু এই প্ৰকল্পকেইটা আৰম্ভ কৰাৰ ৰচ বছৰৰ পাছতো গুৱাহাটীবাসীয়ে ইয়াৰ এটোপাল পানীও মুখত দিবলৈ পোৱা নাই।সংবাদ মেলত সাংগঠনিক সম্পাদক কামৰূপৰ মানস শৰ্মা, ৰাজ্যিক সহ সমন্বয়ক ৰাজীৱ শইকীয়া, ৰাজ্যিক মেডিয়া সমন্বয়ক জয়ন্ত কলিতা উপস্থিত থাকে।

# কামৰূপৰ শিক্ষা বিভাগৰ প্ৰশংসনীয় পদক্ষেপ



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপৰ শিক্ষা বিভাগৰ বিশেষ পদক্ষেপৰ ফলত স্বাধীনতাৰ ৭৫ বছৰ পাছত গুৱাহাটীৰ সমীপৰ তথা কামৰূপ জিলাৰ গড়ভাংগত আজি দুখন মধ্য ইংৰাজী বিদ্যালয়ৰ শুভ আৰম্ভ হয়। গড়ভাঙ্গা প্ৰাথমিক বিদ্যালয় আৰু ৰংমালী প্ৰাথমিক বিদ্যালয়ক উন্নীত কৰি এই দুখন মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰা হয়। গড়ভাঙ্গা প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এক গাম্ভীৰ্য পূৰ্ণ অনুষ্ঠানত অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিদ্যালয় দুখন উদ্বোধন কৰে। উল্লেখযোগ্য যে ৰছ খন ৰাজহ গাঁও থকা এই গড়ভাঙ্গা অঞ্চলত ইয়াৰ পূৰ্বে এখনো উচ্চপ্ৰাথমিক বিদ্যালয় নাছিল। এই বিদ্যালয় দুখন উদ্বোধন কৰি শিক্ষামন্ত্ৰী গৰাকীয়ে কয় যে আজিৰ দিনটো গড়ভাঙ্গা বাসীৰ বাবে সঁচাকৈয়ে আনন্দৰ দিন। কামৰূপৰ শিক্ষা বিভাগে লোৱা বিশেষ পদক্ষেপৰ বাবে আজি গড়ভাঙ্গা বাসীয়ে এই সুবিধা লাভ কৰিবলৈ সক্ষম হ'ল। তেওঁ এই বিদ্যালয় দুখনত ছাত্ৰ ছাত্ৰী থাকিলে এই বছৰেই অষ্টম শ্ৰেণীলৈকে নামভৰ্তি কৰাবলৈ সংশ্লিষ্ট বিদ্যালয় দুখনৰ প্ৰধান শিক্ষকক পৰামৰ্শ দিয়ে। তেওঁ কয় যে চৰকাৰে গড়ভাঙ্গা অঞ্চলত অচিৰেই হাইস্কুল স্থাপনৰ ব্যৱস্থা কৰি আছে। উল্লেখযোগ্য যে বৰ্তমানৰ কামৰূপৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা কামৰূপৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ২০১৯ চনত এক শিক্ষা সংযোগ কাৰ্যসূচী লৈ গড়ভাঙ্গা অঞ্চলৰ শৈক্ষিক জৰীপ কৰি ২০২০ চনৰ জানুৱাৰী মাহত চৰকাৰক এক প্ৰতিবেদন দাখিল কৰি গড়ভাঙ্গা অঞ্চলত কমেও দুখন উচ্চপ্ৰাথমিক স্কুল স্থাপনৰ প্ৰস্তাৱ দিছিল। ইয়াৰ পাছত শিক্ষা বিষয়া গৰাকীয়ে সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালক আৰু কামৰূপৰ উপায়ুক্তক গড়ভাঙ্গা অঞ্চললৈ নি অঞ্চলটোৰ শৈক্ষিক পৰিৱেশৰ বিষয়ে অৱগত কৰে। বিষয়াগৰাকীৰ এনে নিৰলস প্ৰয়াসৰ ফলত গড়ভাঙ্গাই দুখনকৈ উচ্চপ্ৰাথমিক বিদ্যালয় পাবলৈ সক্ষম হয়। ইতিমধ্যে বিদ্যালয় দুখনৰ অতিৰিক্ত তিনিটাকৈ শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে প্ৰতি খন বিদ্যালয়ক সমগ্ৰ শিক্ষা, অসমৰ পৰা ১৯ লাখ ৮৫ হাজাৰকৈ টকাৰ অনুমোদন দিয়া হৈছে। আজি শিক্ষা মন্ত্ৰী গৰাকীয়ে নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা শ্ৰেণীকোঠাৰো লাইখুটা স্থাপন কৰে। সভাত পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতাই বিশিষ্ট অতিথি হিচাপে ভাষণ দি গড়ভাঙ্গা অঞ্চলৰ উন্নয়নৰ বাবে তেওঁ লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰে। সভাত অসম চৰকাৰৰ প্ৰাথমিক শিক্ষাৰ অতিৰিক্ত সঞ্চালক নৃপেন দাস, কামৰূপৰ উপায়ুক্ত কৈলাস কাৰ্তিক এন, কামৰূপৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱা, ৰাণীৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া লাচিত বসুমতাৰী, বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য উপস্থিত থাকে। সভাত ভাষণ দি কামৰূপৰ উপায়ুক্ত কৈলাস কাৰ্তিক এনে কয় যে গড়ভাঙ্গা অঞ্চলত পৰ্যটনৰ বাবে ভাল আঁচনি লব পাৰি। যাতায়ত ব্যৱস্থাৰ উন্নয়নৰ লগে লগে গড়ভাঙ্গাৰ উন্নয়নৰ পথ অধিক প্ৰশস্ত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। সভাত সমগ্ৰ শিক্ষা কামৰূপৰ জিলা আঁচনি বিষয়া ক্ৰমে ফুলপাহি নাথ, চুইটী বেজবৰুৱা উপস্থিত থাকে। সভাৰ আঁত ধৰে জলী ভট্টাচাৰ্যই। অনুষ্ঠানত গড়ভাঙ্গা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত ৰাণী শিক্ষাখণ্ডৰ তৰফৰ পৰাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। সামৰণি শলাগৰ শৰাই আগবঢ়াই সমগ্ৰ শিক্ষা কামৰূপৰ জিলা আঁচনি বিষয়া চুইটী বেজবৰুৱাই।

# ইংৰাজীৰ বিকল্প

ইজনে সিজনৰ সৈতে সংযোগ স্থাপনত হিন্দী ভাষা ব্যৱহাৰ কৰা উচিত বুলিও কয়। লক্ষণীয় যে ভাৰতৰ এটা ৰাষ্ট্ৰীয় ভাষা নাই যদিও দেশখনত হিন্দীক চৰকাৰী ভাষা হিচাপে মানি লোৱা হৈছে। এনে ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰ পৰিচালনাৰ মাধ্যম হিচাপে হিন্দী ব্যৱহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে এনে কৰিলে ভাষাৰ গুৰুত্বটো বৃদ্ধি পাব। সম্প্ৰতি কেবিনেটৰ এজেণ্ডা ৭০ শতাংশ হিন্দীতেই প্ৰস্তুত কৰা হৈছে।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

সহাঁৰি XOHARI

**JANASANYOG- 95/22**

rtps.assam.gov.in



## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকমব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

**সবিশেষ জানিবলৈ/সহায়ৰ বাবে**
**এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক**

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in | /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com


Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৬ চ'ত্, ১৪২৭ চন Rongili Barta, Date of Publication--10 April 2022

# বিদ্যুৎ সংশোধনী বিল বাতিলৰ দাবীত বিক্ষোভ

ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিদ্যুৎ ক্ষেত্ৰৰ ব্যক্তিগতকৰণৰ বিৰুদ্ধে ও জনবিৰোধী বিদ্যুৎ সংশোধনী বিল ২০২১ বাতিলৰ দাবীত আৰু প্ৰিপেড মিটাৰ প্ৰচলন বন্ধৰ দাবীত আজি বিদ্যুৎ গ্ৰাহকসকলৰ বৃহত্তৰ মঞ্চ অল ইণ্ডিয়া ইলেকট্ৰিচিটি কনজুমাৰ্চ এছচিয়েশ্বনৰ উদ্যোগত দিল্লীৰ যন্তৰমন্তৰত বিক্ষোভ প্ৰদৰ্শন কৰা হয়। অসম, ত্ৰিপুৰা, পাঞ্জাৱ, হাৰিয়ানা, তামিলনাডু, পডুচেৰি, ওড়িশা, মধ্যপ্ৰদেশ, কৰ্ণাটক, দিল্লী, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ সহ দেশৰ ১৫ খন ৰাজ্যৰ বিভিন্ন বিদ্যুৎ সংগঠনৰ পক্ষৰ পৰা বিক্ষোভত মিলিত হোৱা কেইবাশ প্ৰতিনিধিয়ে 'বিদ্যুৎ সংশোধনী বিল ২০২১' বাতিল কৰা, বিদ্যুৎ ক্ষেত্ৰৰ বেচৰকাৰীকৰণ ও ব্যক্তিগতকৰণ বন্ধ কৰা ও প্ৰিপেড মিটাৰ গ্ৰাহক সকলক জোৰ কৰি ব্যৱহাৰ কৰিবলৈ বাধ্য কৰোৱাৰ বিৰুদ্ধে দীৰ্ঘসময় শ্ল'গান দিয়ে ।এই বিক্ষোভত অসমৰ পৰা সংগঠনৰ সৰ্বভাৰতীয় কমিটীৰ সহ - সভাপতি, অল আচাম ইলেকট্ৰিচিটি কনজিউমাৰ এচ'চিয়েচনৰ আহ্বায়ক অজয় আচাৰ্য আৰু সৰ্বভাৰতীয় কাৰ্যকৰী কমিটীৰ অন্যতম সদস্য হিল্লোল ভট্টাচাৰ্যই যোগ দিয়ে। সংগঠনৰ সৰ্বভাৰতীয় কমিটীৰ কাৰ্যকৰী সভাপতি ৰমেশ পৰাশৰৰ সভাপতিত্বত প্ৰতিবাদী সভাত বক্তব্য ৰাখে সংগঠনৰ সাধাৰণ সম্পাদক সমৰ কুমাৰ সিংহই ।তাৰোপৰি বিভিন্ন ৰাজ্যৰ পৰা উপস্থিত থকা প্ৰতিনিধিসকলেও বক্তব্য ৰাখে। অল আচাম ইলেকট্ৰিচিটি কনজিউমাৰ এচ'চিয়েচনৰ পক্ষৰ পৰা অজয় আচাৰ্যই তেওঁৰ বক্তব্যত কয় ৰাজ্যত বিদ্যুৎ বিভাগৰ লোকচান পূৰাবৰ কাৰণে ৰাজ্য চৰকাৰৰ পৰিকল্পনাহীনতা, বিদ্যুত বিভাগৰ উপৰ মহলৰ দুৰ্নীতিৰ ফলত হোৱা লোকচানৰ বোজা চৰকাৰে সাধাৰণ গ্ৰাহকৰ ওপৰত জাপি দিছে মাচুল বৃদ্ধি ঘটাই। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো ৮৫% বিদ্যুৎ অন্য ৰাজ্যৰ পৰা ক্ৰয় কৰিব লগা হৈছে। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ অনাদায়ী বিদ্যুৎ বিল শ শ কোটি টকা হ'লেও সেই টকা চৰকাৰৰ পক্ষৰ পৰা প্ৰদান নকৰি গ্ৰাহক সকলৰ ওপৰত জাপি দিয়া হৈছে। তেওঁ এইটোও কয় ৰ এপ্ৰিলৰ পৰা অসমত বিদ্যুৎ মাচুল বৃদ্ধি কৰা হৈছে। অসমত জনবিৰোধী এই সিদ্ধান্তৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত আছে । তেওঁ ঐতিহাসিক কৃষক আন্দোলনৰ পৰা শিক্ষা লৈ ব্যাপক বিদ্যুৎ গ্ৰাহক আন্দোলন গঢ়ি তোলাৰ আহ্বান জনায় ।উল্লেখযোগ্য যে, অসমৰ বিদ্যুৎ কৰ্মচাৰী, ইঞ্জিনীয়াৰ আৰু পেঞ্চনাৰ সংগঠনৰ পক্ষৰ পৰা এই সংসদ অভিযান কাৰ্যসূচীৰ সফলতা কামনা কৰি প্ৰেৰণ কৰা শুভেচ্ছা বাৰ্তা পাঠ কৰি শুনোৱা হয়।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৱা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286